# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি আলজেৰিয়া, ম'ৰিটেনিয়া আৰু ম'লাৱিৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব।

২। প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই জেনেভাত হ'বলগীয়া আন্তঃসংসদীয় সংঘৰ ১৪৯ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰিবলগীয়া সংসদীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰিব।

৪। ভাৰতৰ ঐহিকা মুখাৰ্জী আৰু সুতীৰ্থা মুখাৰ্জীয়ে এছিয়ান টেবুল টেনিছ চেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি দেশৰ হকে পদক নিশ্চিত কৰিছে।

*আৰু*

৫। ভাৰতে তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত বাংলাদেশক ১৩৩ ৰানত পৰাস্ত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি আলজেৰিয়া, ম'ৰিটেনিয়া আৰু ম'লাৱিৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব। ভাৰতৰ অধ্যক্ষতাৰ সময়ত আফ্ৰিকীয় সংঘক জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীত স্থায়ী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ এবছৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশ তিনিখন ভ্ৰমণ কৰিব। ভ্ৰমণ কালত ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাখন দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। ৰাষ্ট্ৰপতিৰ ভ্ৰমণ সন্দৰ্ভত আমাৰ সংবাদদাতাই এইদৰে জনাইছে ঃ

***-ভইচ কাষ্ট -***

০০০০০

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে pminternship.mca.gov.in প'ৰ্টেল যোগে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২৫ অক্টোবৰত এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ১৯৩টা কোম্পানীয়ে বৰ্তমানলৈকে প'ৰ্টেলটোৰ জৰিয়তে প্ৰায় ৯১ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ আগবঢ়াইছে। চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ১ লাখ ২৫ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে মুঠ ৮০০ কোটি টকা ব্যয় কৰা হ'ব। চৰকাৰে এই আঁচনিৰ অধীনত ৫ বছৰৰ বাবে ২১ৰ পৰা ২৪ বছৰ বয়সৰ ১ কোটি প্ৰাৰ্থীক এবছৰৰ ইণ্টাৰ্ণশ্বিপ প্ৰদানৰ লক্ষ্য ধাৰ্য কৰিছে। এই আঁচনিৰ অধীনৰ প্ৰাৰ্থীসকলে এবছৰৰ বাবে মাহে ৫ হাজাৰ টকা বিত্তীয়

সাহায্য আৰু ছহেজাৰ টকাৰ এককালীন অনুদান লাভ কৰিব। সূত্ৰৰ পৰা জানিব পৰা মতে, দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৭৩৭ খন জিলাত তেল, গেছ আৰু শক্তি, ভ্ৰমণ আৰু আতিথ্য, যান-বাহন আৰু বেংকিং তথা বিত্তীয় সেৱাসহ ২৪টা খণ্ডত ইণ্টাৰ্ণশ্বিপৰ এই সুযোগ উপলভ্য হ'ব। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে বিগত ৩ বছৰত কোম্পানীৰ সামাজিক দায়িত্বৰ অধীনত ব্যয় কৰা গড় ধনৰ ভিত্তিত শীৰ্ষ কোম্পানীসমূহ বাছনি কৰা হৈছে। এই আঁচনিত কোম্পানীসমূহৰ অংশগ্ৰহণ স্বেচ্ছামূলক। ইয়াৰ উপৰি আঁচনিৰ প্ৰতি আগ্ৰহী অন্য কোম্পানী, বেংক অথবা বিত্তীয় প্ৰতিষ্ঠানে কোম্পানী পৰিক্ৰমা মন্ত্ৰালয়ৰ অনুমোদন সাপেক্ষে আঁচনিখনত অংশগ্ৰহণ কৰিব পাৰিব।

ooooo

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে টাটা গ্ৰুপৰ প্ৰাক্তন অধ্যক্ষ ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। এক্সৰ এটা পোষ্টত নেতান্যাহুৱে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সম্বোধন কৰি ভাৰতলৈ টাটাৰ অৱদান আৰু ভাৰত-ইজৰাইলৰ সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে টাটাৰ পৰিয়াললৈও গভীৰ সমবেদনা জ্ঞাপন কৰে। ভাৰতত থকা জাৰ্মানীৰ ৰাষ্ট্ৰদূত ফিলিপ-একাৰমেনে টাটাক এগৰাকী চমৎকাৰী ব্যক্তি তথা উদ্যোগপতি বুলি অভিহিত কৰে। ইপিনে, ভাৰতত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূত এৰিক গাৰচেটিয়ে টাটাৰ প্ৰভাৱ সন্দৰ্ভত আলোকপাক কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ই টাটাৰ বিয়োগত শোকপ্ৰকাশ কৰি কয় যে,- টাটাৰ নেতৃত্বই ভাৰত আৰু ফ্ৰান্স উভয় দেশৰে উদ্যোগখণ্ডত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। তেওঁ লগতে টাটাৰ মানৱতাবোধৰ আদৰ্শৰ লগতে সমাজৰ উন্নয়নৰ হকে তেওঁৰ জীৱনজোৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ শলাগ লয়।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজিৰে পৰা ১৭ অক্টোবৰলৈ জেনেভাত হ'বলগীয়া আন্তঃসংসদীয় সংঘ আই-পি-ইউৰ ১৪৯ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰিবলগীয়া সংসদীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰিব। শ্ৰীবিৰলাই বৈঠকত শান্তিপূৰ্ণ আৰু বহনক্ষম ভৱিষ্যতৰ বাবে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱণৰ ব্যৱহাৰ সন্দৰ্ভত ভাষণ দিব। তেওঁ লগতে আন্তঃসংসদীয় সংঘৰ পৰিচালনা পৰিষদৰ বৈঠকত ভাগ ল'ব আৰু কাইলৈ জেনেভাত প্ৰৱাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিব। ইয়াৰ উপৰি তেওঁ বৈঠকত ভাগ লোৱাৰ সুযোগতে অন্য দেশত সংসদৰ অধ্যক্ষ সকলকো দেখা কৰিব।

বৈঠকত অংশগ্ৰহণ কৰিবলগীয়া সংসদীয় প্ৰতিনিধি দলটোত ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ সিং, উভয় সদনৰ সচিব প্ৰধান আৰু সংসদৰ অন্য কেইবাগৰাকী সাংসদ আছে।

আন্তঃসংসদীয় সংঘৰ ১৮০ খন সদস্য সংসদ আৰু ১৫ খন সহযোগী সদস্য আছে। সদস্য সংসদসমূহৰ ভিতৰত ভাৰত, চীন আৰু ইণ্ডোনেছিয়াৰ দৰে বৃহৎ দেশৰ লগতে কাবো ৱেৰ্ডে, ছেণ্ট মেৰিনো আৰু পলাউৰ দৰে ক্ষুদ্ৰ ৰাষ্ট্ৰৰ সংসদো আছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুদিনত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা

দিছে। বতৰ বিজ্ঞান বিভাগে লগতে কেৰালা, মাহে, তামিলনাডু আৰু কৰ্ণাটকৰ দক্ষিণ অংশত ৫-৬ দিনলৈ বৰষুণ অব্যাহত থাকিব পাৰে বুলি প্ৰকাশ কৰিছে।

ooooo

ভাৰতে বাংলাদেশ চৰকাৰক বিশেষকৈ উৎসৱৰ সময়ত সকলো সংখ্যালঘু আৰু তেওঁলোকৰ ধৰ্মীয় স্থানসমূহৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে। বিদেশ মন্ত্ৰ্যালয়ে এটা বিবৃতিযোগে ঢাকাৰ তান্তিবাজাৰ পূজা মণ্ডপত সংঘটিত আক্ৰমণ আৰু ছটখীৰাৰ যশোৰেশ্বৰী কালী মন্দিৰত হোৱা চুৰি কাণ্ডক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ে এনেধৰণৰ ঘটনাক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে। ভাৰতে আক্ৰমণকাৰীসকলে মন্দিৰৰ ওপৰত আক্ৰমণ কৰি মন্দিৰ অপৱিত্ৰ কৰা তথা প্ৰতিমাৰ ক্ষতি সাধন কৰাৰ উদ্দেশ্যে পৰিকল্পিত কৌশল অৱলম্বন কৰা দেখা পাইছে বুলি মন্ত্ৰ্যালয়ে উল্লেখ কৰিছে।

ooooo

কাজাখস্তানৰ আষ্টানাত চলি থকা চলিত বৰ্ষৰ এছিয়ান টেবুল টেনিছ চেম্পিয়নশ্বিপত ভাৰতৰ এক নম্বৰ মহিলা যুটী ঐহিকা মুখাৰ্জী আৰু সুতীৰ্থা মুখাৰ্জীয়ে ছেমি ফাইনেলত প্ৰৱেশ কৰি দেশৰ হৈ এটা ঐতিহাসিক পদক নিশ্চিত কৰিছে। এছিয়ান চেম্পিয়নশ্বিপৰ ডাবলছত পদক নিশ্চিত কৰা অয়হিকা আৰু সুতীৰ্থা হৈছে ভাৰতৰ প্ৰথম মহিলা যুটী। কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ যুটীটোৱে কোৰিয়া গণৰাজ্যৰ যুটীক পৰাজিত কৰে। আজি হ'বলগীয়া ছেমি ফাইনেলত ভাৰতীয় যুটীটো জাপানৰ মিৱা হাৰিমোটো আৰু মিয়ু কিহাৰাৰ সন্মুখীন হ'ব। ভাৰতীয় যুটীটোৱে যোৱাবছৰ এছিয়ান গেমছত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

ইপিনে, পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ মানুষ শ্বাহ আৰু মানৱ থক্কড়ে দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাজিত হ'বলগীয়া হয়। আজি এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

ooooo

ভাৰতে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত বাংলাদেশক ১৩৩ ৰানত পৰাস্ত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰে। বাংলাদেশে ২৯৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। বাংলাদেশৰ হৈ তৌহিদ হৃদয়ে ৬৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। লিটন দাসে ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ ৰবি বিষ্ণুই ৩টা উইকেট দখল কৰাৰ বিপৰীতে ময়ংক যাদৱে দুটা আৰু ৱাশ্বিংটন সুন্দৰ তথা নীতিশ ৰেড্ডীয়ে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ সঞ্জু ছেমছনৰ ১১১ আৰু অধিনায়ক সূৰ্য কুমাৰ যাদৱৰ ৭৫ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২৯৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ বাবে জয়ৰ দিশৰ পৰা ১৩৩ ৰানৰ ব্যৱধান আন্তঃৰাষ্ট্ৰীয় টি-টুৱেণ্টি ক্ৰিকেটত তৃতীয় সৰ্বাধিক ব্যৱধান। সঞ্জু ছেমছনক প্লেয়াৰ অব দ্যা মেচ আৰু হাৰ্দিক পাণ্ডিয়াক প্লেয়াৰ অব দ্যা ছিৰিজ হিচাপে ঘোষণা কৰা হয়। ভাৰতে দিল্লীত অনুষ্ঠিত দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। একেদৰে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে ৭ উইকেটত বিজয় সাব্যস্ত কৰিছে।

ooooo

মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত শ্বাৰজাহত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ড স্কটলেণ্ডৰ সন্মুখীন হ'ব। একেদৰে ভাৰত একেটা স্থানত

হ'বলগীয়া আজিৰ আনখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গ্ৰুপ-এৰ এই খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ইপিনে, দক্ষিণ আফ্ৰিকাই যোৱানিশা ডুবাইত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত দক্ষিণ আফ্ৰিকাই ১০৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু দুটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দক্ষিণ আফ্ৰিকাৰ তাজমিন ব্ৰীটে ৪২ ৰান কৰে। বাংলাদেশক ফাহিমা খাতুনে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেটৰ বিনিময়ত ১০৬ ৰান কৰে। তাজমিন ব্ৰীটক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইফালে, নিউজিলেণ্ডে কালি শ্বাৰজাহত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত শ্ৰীলংকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১১৫ ৰাণ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ১৭ অভাৰ আৰু তিনিটা বলত দুটা উইকেট হেৰুৱাই ১১৮ ৰাণ সংগ্ৰহ কৰে।

০০০০০

**সমাপ্ত**